## সম্পাদকীয়

### সাম্প্ৰতিক ছবিখন, কেনে আছো আমি ?

মানুহ হৈ আছোনে আমিবোৰ ? ?
এবাৰ প্ৰশ্ন কৰকচোন নিজক
আধুনিকতাৰ মুখা পিন্ধোতে পিন্ধোতে
ম'ৰা চৰাইৰ দৰে হেৰাই গৈছে আমাৰ
খোজবোৰ।
পশ্চিমীয়া সাজৰে নিজৰ অবয়ৱ ঢাকিবলৈ যাওঁতে উলংগ হৈ পৰিচো স্বতঃস্ফূৰ্তভাৱে নাঙঠ শৰীৰে নাচি ফুৰিছো চহৰৰ আলিয়ে-গলিয়ে নিজকে সজাই তোলাৰ নিৰ্চত প্ৰয়োজনত।

মানুহ এতিয়া অমানুহ হোৱা পথত বেঁকা পথেদি বাট বুলোতে মানুহে পাহৰি গৈছে নিজস্বতাবোৰ। আকোঁৱালি লৈছে কাইটিয়া পথ। শোষণ অন্যায়েৰে নিজৰ মুঠি শকত কৰিবলৈ উঠি পৰি লাগোতে ভাই ভাইৰ মাজত বৈ গৈছে তেজৰ নিজৰা। সম্পৰ্কবোৰত ঘূণে ধৰিছে। নিৰাপত্তাৰ অভাৱ-ভাতৃৰ ওচৰত ভগ্নী, পিতৃৰ ওচৰত কন্যাসম; পুৰুষৰ ওচৰত নাৰী ভোগিছে নিৰাপত্তা হীনতাত। এই নিৰাপত্তাৰ বাবে প্ৰকৃততে দায়ী কোন। আমি নিজেই নহয় জানো ?
যিখন পৃথিৱীৰ দহনত দাহিত হোৱা নাই
আমিবোৰ, যি মাতৃৰ অবক্ষয়
দেখিও অন্ধ হৈ আছো আমি
সেয়াই আচলতে আমিনে ? ?

পৃথিৱীখনক এতিয়া অক্সিজেনৰ প্ৰয়োজন। চাৰিওদিশে ধ্বংসৰ গৰাখহনিয়াই খহাই নিয়া পৃথিৱীক প্ৰয়োজন এতিয়া অলপ মুক্ত বতাহ, মুক্ত অক্সিজেন। দুৰ্নীতি, কেলেংকাৰি, শোষণ, ধৰ্ষণ, বিস্ফোৰণ, হত্যা, আত্মহত্যা আদি এশ এটা অপ্ৰিয় শব্দই গ্ৰাস কৰা পৃথিৱীক বচাবলৈ এচাম সচেতন কবিৰ প্ৰয়োজন। এনে এক মুহূৰ্ত্তত কবিসকল আকাশমুখী নহৈ, পৃথিৱীমুখী হ'ব লাগে।

**ৰুস্তম গগৈ**

## চহৰত এদিন কবি

**পৰাগজ্যোতি মহন্ত**



সিদিনা কবি আহিছিল পুৰণি চহৰলৈ
আগতে য'ৰ পৰা তুলি ধৰিছিল ৰঙা ৰুমালখন
হাত জোকাৰিছিল বোৱা শিলবোৰক, বৃদ্ধ পাহাৰবোৰক
মৃত কফিনবোৰক জনাইছিল লালচালাম
আজি তাৰ পৰাই আৰম্ভ কৰিলে কবিয়ে ওভতনি চফৰ

অবিন্যস্ত চুলি, ভোবোকাৰ ডাড়িৰ খীণকায় কবিজনে
খঙাল কুকুৰৰ দৰে নামিলেহি ষ্টেশ্বনৰ ফুটপাথত
তাহানি ইয়াতে বুভুক্ষু শিশুবোৰে ভিক্ষাৰী থালত দেখিছিল
পূৰ্ণিমাৰ জোন। বৰ্ণালী-প্ৰাচীহঁতে য'ৰ পৰা চাইছিল
বাষ্পাকূল চকুৰে ৰে'লৰ খিড়িক। তাতে নামিলেহি তেওঁ।
ষ্টেচনৰ ৰঙা দেৱালত আঁউজি হালধীয়া চহৰখনে
স্বাগতম জনালে কুশলে আছাতো কবি

তেওঁ ভাবিলে সকলো একেই আছে
সৰু সৰু আালি-গলি, দুৰ্গন্ধময় ফুটপাথৰ পাণদোকান
মৃত্যুৰ আঙুলি চুই বিষণ্ণ মেনহ'ল, পংগু ভিক্ষাৰীজাক
গৰাকীবিহীন ঘোঁৰা অথবা
মুখামুখি হৈ মূৰ দাঙি কথা হ'ব নোৱৰা ব্যস্ত মানুহৰ দৰে
একেই আছে সকলো ঠিক আগৰ দৰেই

ষ্টেচনৰ পৰা নামি চাৰিআলিত ভৰি থওঁতেই
ট্ৰেফিক পইণ্টৰ ৰঙা লাইটবোৰে সংকেত দিলে
কোনফালে যাবা কবি ?
পূবে নে পশ্চিমে
সোঁহাতে নে বাওঁহাতে
পূবে যায় মাছৰহাটলৈ
য'ত টুকুৰা-টুকুৰ কৰি বেচা-কিনা হয় মাছৰ দৰ-দাম
(দৰে-দামে মিলিলে তুলাচনীৰ কি কথা)
পশ্চিমে যায় গৱেষণাগাৰলৈ
য'ত মেজিছিয়ানৰ দৰে বুকুত ছুৰী বহুৱাই খেলা হয় জীৱন্ত কৰা মানুহৰ খেল
উত্তৰে যায় বাতৰি কাকতৰ কাৰ্যালয়লৈ য'ত সঘন মৃত্যুৰ পাইকাৰী খবৰ,
সাপ-নেউলৰ যুঁজ ইত্যাদি...
দক্ষিণে যায় কাৰাগাৰলৈ
য'ত টেফ্ৰিক পইণ্টৰ অনুশাসন ভংগ কৰিলে
মুখে-মুখে আঁৰি দিয়া হয় ক'লা কানুনৰ পৰ্দা

নিথৰ হৈ ৰয় কবি
কি আশ্চৰ্য উৰ্মিল কম্পনেৰে মেজিছিয়ানৰ হাতত দুলি থাকে
ছিন্থেটিক হৃদপিণ্ড আৰু মানুহৰ মুখত ৰাসায়নিক হাঁহি
তেওঁ খেপিয়াই চাই নিজৰ বুকুখন আৰু চহৰখনৰ বুকুত এৰি দিয়ে বিষাদ হুমুনিয়াহ

চহৰৰ ওখ ওখ অট্টালিকাবোৰত তেওঁৰ চকুযোৰ হেলনীয়া হৈ ওলমি থাকে
পুৰণি চহৰৰ চিনাকি বতাহে ধোঁৱা আৰু এছিদৰ চকুপানী টোকে
ঘৰৰ দুৱাৰত হালধীয়া পৰ্দা আঁৰি বহি থাকে শেতা মানুহবোৰ

## চাকৈচকোৱা ৰাতি

**প্ৰাঞ্জল কুমাৰ খাউণ্ড**

যোৰহাট

আকাশখন বুকুত সাৱটি
সন্ধ্যাবোৰত প্ৰায়েই তিতি থাকো
নদীখনৰ পানীতোলা ঘাট এটাত

জ্যামিতি্যক জোখ-মাখেৰে হিচাপ কৰি সমস্ত ভূগোল
হঠাতে সিদিনা
টুপুংকৈ বুৰ মাৰি দেখিলো
পানী যুঁৱলিত জিলিকি আছে
তোমাৰ গালত ওলমি থকা
কলা এটা তিল

আকাশখন বুকুত সাৱটি
কামুক এহালি চকুৰ স'তে
খেলি থাকোতেই
পাৰ হৈ গ'ল কি নগ'ল
চাকৈচকোৱা ৰাতি

'কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক
ৰাতিনৌ পুৱাওতেই কিয় ডাকে দিলি
ধনে এৰি যায় মোক'।

## কানাই মোৰ

**মিতালী গোৱালা**

যোৰহাট

কানাই মোৰ
তোমাৰ নৈখনত মোক
টুলুঙা নাও এখনকে
বাৱলৈ দিয়া
নৈখন মোক নালাগে,
তাত মই ডুবিও নমৰো,
মাথোঁ এবাৰলৈ
বুৰ যাম গভীৰতাত,
মিলি যাম শীতলতাত।
কানাই মোৰ
শুনিছা ?

## ৰঙা চৰাই

**হেমচন্দ্ৰ কছাৰী**

ধেমাজি

ৰঙা চৰাই
ক'ৰ পৰা আহিছিলা
বুকুৱেদি সৰকি
কলৈ গুচি গ'লা
ঠোঁটত যে লৈ গ'লা কলিজাৰ বৰ্ণমালা।

## আকাশ সোণোৱালী

**হিমাংশু প্ৰসাদ দাস**

আকাশ সোণোৱালী
উমাল উদাৰ
ৰ'দৰঙী চিলাবোৰে
তাতে মেলে
প্ৰেমৰ পোহৰ

শিপা চিঙি এৰি দিয়া
উৰি য'ক উৰি য'ক
কলিজাৰ মোহনীয়া চিঠি
বাট যদি হেৰুৱাই
কোনো খ্যতি নাই
কোনো দিনে নাহে যদি মাটিলৈ উলটি

জানে সি জানে
প্ৰেমৰ আকুতি সনা
চিলাৰ চিঠিয়ে জানে
আকাশৰ দৰে
সপোনৰ দৰে
আদিহীন অন্তহীন
প্ৰেমৰ সুবাস।



# অৰুনী চক্ৰৱৰ্তী

ঘৰটোৰ তলৰ মহলাৰ যন্ত্ৰপাতি থকা শীতাতপ নিয়ন্ত্ৰিত কোঠাত মাজে মাজে বহুপৰ মেল মাৰো। তালৈ আৰু বহুলোক আহে ভৱলুমুখৰ ধনঞ্জয় শৰ্মাই প্ৰুফলৈ আহে—আলোচনীৰ নানা ধৰণৰ চিত্ৰ আৰু নতুন প্ৰৱন্ধ ওচৰৰ টেবুলৰ পৰা আহে কবি ৰবীন্দ্ৰ চৰকাৰ, ৰবীন শৰ্মা, গোস্বামী, গোপালদা ( স্বৰ্গীয় গোপাল দাস) সেইবিলাকে সঠিক দিনলিপি ৰাখিলে আজি সেই সময়ৰ গুৱাহাটীৰ সম্পূৰ্ণ ইতিহাস ৰাইজলৈ আগবঢ়াব পাৰিলেহেঁতেন।

এই শীতল ঘৰলৈ অহা প্ৰায়বোৰ লোকৰ নানান সমস্য—কাৰোবাৰ ইটো লেঠা কাৰোবাৰ সিটো লেঠা, কাৰোবাৰ আৰ্থিক অনাটন ইত্যাদি ইত্যাদি বৰ সমস্যাত পৰিলে ঘৰলৈ আহো দুটা মান টকা বিচাৰি জানো এইক্ষেত্ৰত অৰুনীৰ নিজৰে নাতনি তথাপিও আশা কৰি আহো কিজানি পাওঁবা সমস্যাৰ গুৰুত্ব বুজি অৰুনীয়ে কাৰোবাৰ পৰা দুই চাৰি টকা আনি দিয়ে—আমি কাম কাম চলাই যাওঁ।

মোৰ মনত আছে পদপথৰ গাতে লাগি থকা চিৰি বগাই ওপৰৰ চাঙলৈ অৰুনী উঠি আহিছে চাহ চাঙৰ চাঙলৈ, লগত এজন কবি, আৰ্হিয়ে দক'লৈহি এয়া অমুক তেওঁ ঘৰলৈ যাব লাগে লগত পইচা নাই আপুনি তেওঁৰ ভাৰাটো দিয়কচোন। এই ভাৰা দিয়া কামটো যেন মোৰ কৰ্তব্যৰ ভিতৰতে পৰে। ময়ো বাধ্য ছাত্ৰৰ দৰে চাহৰ দোকানৰ (ৰাজ্যিক সংগ্ৰালয়ৰ কেণ্টিন এবছৰৰ বাবে মই চলাইছিলো) কেচ বাকচৰ পৰা ৩০ টকা উলিয়াই অৰুনীক দিলো। অৰুনীয়ে কবিক দিলে ধন লৈয়ে যাবলৈ ওলাল ক'লো চাহ এপিয়লা খাই যাওঁক নাই, সময় নাই গ'লগৈ।

এদিন খাৰঘুলিৰ কমল শৰ্মাৰ ঘৰত বহি আছো তাতে ওলালহি অৰুনী, লগে লগে আমাক লগত লৈ ওলাল টিচি স্কুলৰ গাতে লাগি থকা নাটশালাল ঘৰটো পুলিচে ভাঙি দিবলৈ ওলাইছে ভূপেন বৰকটকী আদি বহুলোক তাত গোট খাই উচ্ছেদ কাৰ্যত বাধা দিচে আমিও সেই দলত লাগিলোগৈ এইদৰে এশ এটা লেঠাত জঁপিয়াই পৰা ভূপেন বৰকটকী, স্বৰ্গীয় কমল শৰ্মা, কমল ৰাণা শৰ্মা আদি লোকসকলৰ মাজৰ এজন হৈ পৰিছিলো অৰণীৰ লগত। আৰু ক'ত কাম চিৰন্তনৰ বেটুপাত কোনোবা সভাৰ কাৰণে ইলাষ্ট্ৰেচন—কোটনিচ কমিটীৰ কাৰণে প্ৰদৰ্শনী আৰু নানান প্ৰতিবাদী সভা-সমিতিৰে আমাৰ দৈনন্দিন কাম-কাজৰ দৰেই হৈ পৰিছিল।

অৰুনীৰ প্ৰথম আৰু প্ৰধান পৰিচয় আছিল তেওঁ কবিতাৰ বাদেও সকলো সাংস্কৃতিক বৌদ্ধিক কাৰ্যক্ৰমণিকাত দেহা উবুৰি কাম কৰিছিল অৰণী চক্ৰৱৰ্তীয়ে। প্ৰাথমিক কাম কবিতাৰ হ'লেও নাটকৰ দলত যেন তেওঁহে প্ৰধান চৰিত্ৰ। চিনেমাৰ শ্যুটিঙত অৰুনী নহ'লে যেন নহয়েই কবি সন্মিলনৰ কথাটো ক'বই নালাগে শিশুৰ বাবে আয়োজন কৰা নানান সভা-সমিতি সাহিত্য সভাৰ মেল-মিটিং সকলোতে। সকলোতে এই চুলি দীঘল সাধাৰণ আয়তনৰ লোকজন থাকিবই, অৱশ্যে সেই সময় আছিল অলপ বেলেগে—মানুহৰ ভাতৃত্ববোধ বন্ধুপ্ৰীতি—সামাজিক দায়বদ্ধতা আদিগুণৰাজিৰে মানুহ সমৃদ্ধিশীল আছিল, চাই থাকোঁতেই দিনবোৰ সলনি হৈ আহিল। অৰুনী যোৱাৰ আগে-পিচে আৰু দুই-চাৰিজনে আমাক বেলেগ বেলেগ ধৰণেৰে এৰি গ'ল। অৰুনী অন্তৰ্ধান হোৱাৰ দিনৰ পিচলৈকে আমি আক্ষেপ কৰি কৈছিলো—মানুহবোৰ, সমাজখন কিয় আৰু বেলেগ হৈছে—আমি ভিন্ ভিন্ ক্ষেত্ৰৰ লোকৰ লগত মিলিব নোৱাৰা হ'লো কেলেই—কিতাপ, আলোচনী প্ৰকাশ নোহোৱা হৈ গ'ল। কেলেই—নাই, তাৰ উত্তম আমি নোপোৱা হ'লো। লাহে লাহে আমি মানুহবোৰ দ্বীপৰ দৰে হৈ পৰিলো—কোনো কবি, সাহিত্যিক, নাট্যকৰ্মীক, চিত্ৰশিল্পীকএজন সমৰ্থৱানক ক'ব নোৱাৰা হ'লো তেওঁৰ দৰকা অলপ টকা দিয়াচোন—নাই; সেইবোৰ দূৰৰ কথা স্বাৰ্থৰ গোন্ধ নথকা কামত আমি মাত এষাৰো দিব নোৱাৰা হ'লো। সাহিত্য, সংগীত, চিত্ৰশিল্প, নাটক, চিনেমা কৰাৰ উদ্যোগ লোৱা যেন আমাৰ দায়িত্ব নহয় চৰকাৰ নাইবা এন.জি.অ বিলাকেই এই কামবোৰ কৰিবলৈ লৈছে, ইয়াত লাভ-লোকচানৰ কথা আছে। সকলোবিলাক সাংস্কৃতিক কাৰ্যক্ৰম নোহোৱা যেনেই হৈছে য'ত লেখ লোৱা হয় মানুহৰ গুণ-গৰিমা, সুখ-সুবিধাৰ। য'ত লেখ লোৱা হয় মানৱিকতাৰ। এৰা অৰুনীয়ে যেন জানি-বুজিয়েই আগতীয়াকৈ এই সমাজৰ পৰা গ'লগৈ আমাৰ পৰা বিদায় নোলোৱাকৈয়ে।

অৰুনীৰ কথাৰে মই এটি পদ্যও ৰচনা কৰিছিলো, এনেধৰণেৰে—

ক'লৈ গৈছা
কেতিয়া আহিবা
একোকে নক'লা
আহিবানে নাহা
ক'ত আছা
এটা অবুজ সাঁথৰেৰে
আমাক বৰ অসুবিধাত পেলালা

সন্ধিয়ানে পুৱা
নে দুপৰীয়া
তুমি কেতিয়া আহিবা?

# অসমীয়া কবিতাৰ বৰ্তমান আৰু...

কবিতাবোৰত জীৱন্ত বলিষ্ঠ বাস্তৱ জীৱনৰ সৃজনীময়ী ছবি নেদেখি আত্মাকেন্দ্ৰিক জীৱনবিমুখ মানসিকতাৰ বাবে বিভ্ৰান্তিৰ ট্ৰেজেদি দেখিছে সেয়েহে তেওঁলোকে আধুনিক কবিসকলে প্ৰকৃত কবিতাক কবৰ দিয়া বুলি আক্ষেপ কৰিছে। তথাপিও এই কবিতাৰ গতি আগবাঢ়িয়েই আছে নতুন নতুন কবি সকলে কবিতা লিখিয়েই আছে।

অৱশ্যে এইটো ঠিক যে আজিৰ বহুবোৰ কবিতাই সাধাৰণ পঢ়ুৱৈ সমাজে একো বুজি নাপায়। অনেক বিদ্বান পণ্ডিতসকলেও বুজি নাপায়। এইটো কবিতাৰ স্বাস্থ্যৰ লক্ষণ নহয়। কাৰণ কবিতাৰ প্ৰধান লক্ষণ হ'ল সাধাৰণীকৰণ অৰ্থাৎ কবিৰ অনুভূতিক শব্দ আৰু লয়ৰ সংকেতেৰে পাঠকৰ অন্তৰত জগাই তোলা। যদিহে কোনো কবিৰ কবিয়ে অনুভূতিশীল অন্তৰৰ প্ৰকাশ কৰিব নোৱাৰে, তেন্তে তেওঁ কবিয়েই নহয় আৰু তেওঁ লিখাবোৰো কবিতা নহয়। মাথোঁ সেয়া শব্দৰ কচৰৎহে। কিন্তু বৰ্তমান নতুন কবিৰ প্ৰয়াভাগ কবিতাই অনুভূতিশীল অন্তৰৰ প্ৰকাশ নঘটে। তাৰোপৰি বহুতো লেখকে সোণকালে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আন ভাষাৰ পৰা শব্দ ধাৰ কৰি আনে আৰু বহুতো প্ৰখ্যাত কবিৰ পৰা শব্দ চুৰিৰ প্ৰচেষ্টা চলাই। ফলত কবিতাৰ দেহ বিকৃত হয় আৰু কবিতাটো হৈ পৰে দুৰ্বোধ্য। এইদৰে জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ পৰা কবিতাৰ জন্ম নহ'লৈ সি কেৱল শব্দৰ মেৰপাক হৈ পৰে। তাত ওপৰত উল্লেখ কৰাৰ দৰে নানা বিছিন্ন কল্পনাৰ কাৰছাজি থাকিব পাৰে, চমক থাকিব পাৰে কিন্তু তাত কবিতাৰ প্ৰাণটোৱেই নাথাকে।

দৰাচলতে কোনবোৰ কবিতা ভাল বা কোনবোৰ কবিতাৰ বৈশিষ্ট্যত নপৰে একে আশাৰেই কৈ দিয়াটো টান। ভাল কবিতা আৰু বেয়া কবিতাৰ সংজ্ঞা নিৰ্ধাৰণ কৰাটো সহজ নহয়। বেয়া কবিতাৰ ধাৰণাটোও নতুন নহয়। এয়াই ক'বপাৰি যে যিবোৰ কবিতাই হৃদয়, মন আৰু বুদ্ধিক স্পৰ্শ কৰিব পাৰে, মানৱপ্ৰাণত আলোড়ন তোলে, সৌন্দৰ্য তৃষ্ণা জাগ্ৰত কৰে, নতুন সত্য আৰু নতুন জেউতিৰ সম্পদ হৈ পৰে, মানুহৰ সাধাৰণ দৃষ্টিৰ আগোচৰে ৰোৱাখিনিক কবিৰ কল্পলোকত উদ্ভৱ হোৱা ছবিৰ সহায়ত মনোৰম ৰূপত পঢ়ুৱৈ মানসপটত মূৰ্ত কৰি তোলে সেইবাবে কবিতাই প্ৰকৃততে পঢ়ুৱৈৰ হৃদয় চুব পৰা ভাল কবিতা।

অৱশ্যে বিগত তিনিটামান দশকৰ পৰা কবিসকলে শৈক্ষিক গুণ আয়ত্ব কৰা বা কবিতাৰ নান্দনিক গুণৰ প্ৰতি সচেতন হোৱা পৰিলক্ষিত হৈছে। তদুপৰি সামাজিক উপলব্ধিক প্ৰতিকী ৰূপত প্ৰকাশ কৰিব পৰা দক্ষতাও অৰ্জন কৰিছে। লোকভাষাৰ প্ৰতি আকৰ্ষণ আৰু তাৰ সাৰ্থক প্ৰয়োগৰ চিত্ৰময় ব্যঞ্জনা দিব পৰাও অন্যতম বৈশিষ্ট।

সাম্প্ৰতিক কালত কবিৰ সংখ্যা বাঢ়িছে। ই অতি শুভ লক্ষণ। তেওঁলোকৰ কলমৰ পৰা ধাৰাসাৰ সৃষ্টি হোৱা সাহিত্যই অসমীয়া কবিতাক নতুনত্ব আনি দিছে। কিন্তু দুখৰ বিষয় এই চাম নবীন লেখকৰ ভিতৰত সৰহভাগেই মানৱীয় মূল্যবোধ বুজি নাপায়। হয়তো কবিতা সম্পৰ্কে নূন্যতম সাম্যক ধাৰণাও নাই। তথাপি লিখি আছে। মন উচাহেই এওঁলোকৰ প্ৰধান উপজীব্য।

সম্প্ৰতি এচাম নতুন কবিয়ে নানা ধৰণৰ পৰীক্ষা-নিৰিক্ষা চলাই আহিছে। উত্তৰ আধুনিক কবিতাৰ অৱস্থটো অনুধাৱন কৰি বহুক্ষেত্ৰত সফল হৈছে। ক'ব লাগিব যে এক নতুন জীৱন বীক্ষণেৰে পৰিপুষ্ট হ'ব পৰা এই চাম নবীন কবিয়ে ভালদৰে কাব্যচৰ্চা কৰিলে অদূৰ ভৱিষ্যতে এক সবল কাব্যধাৰাই অসমীয়া কবিতাক সমৃদ্ধ কৰিব পাৰিব বুলি নিশ্চিতভাৱে আশা কৰিব পাৰি।

সেয়েহে ন-লেখকসকলে প্ৰতিভাৰ উৎকৰ্ষৰ লগতে নিজৰ সৃষ্টিক উৎকৃষ্ট কৰাৰ বাবে সাধনা আৰু অনুশীলনত মনোনিৱেশ কৰা উচিত।■

পূবে নে পশ্চিমে
উত্তৰেনে দক্ষিণে
তোমাক বিচাৰি কোনপিনে যাম?
দদৰানে
দমদমা
ৰহানে চিলাপথাৰ
ক'ত জানো কবি সন্মিলনত কবিতা পঢ়িছা
এই সাঁথৰেৰে তুমি আমাক ভবাই ৰাখিবা
এদিন আমি গুচি যাম
কিন্তু তুমি অহালৈ বাট চাই ৰ'ব
যুগৰ পিচত যুগ এচামৰ পিছত ইচাম কবিয়ে

মাজে মাজে দুই চাৰিৰে ক'ব
অৰুনী তুমি কবি আছিলা
এতিয়া নিজেই কবিতা হ'লা,
এটা বুজা-নুবুজা কবিতা— নতুন কবিতা,
অন্তহীন কবিতা।।■



## নদীময়

**ৰীণা দত্ত**
দুলীয়াজান
শিৱসাগৰ

উৎকণ্ঠাবোৰে গভীৰতাত
শুকুলা ডাৱৰ ফালি
বুকুৰ পথাৰখনেৰে
ঢাপলি মেলিছে
শইচৰ ঠোকবোৰৰ দৰে।

সেন্দুৰীয়া পথেৰে
বিশ্বাস হেৰুৱাৰ স'তে
কেতিয়াবা উৎকণ্ঠাবোৰ
হেৰায় যায় যদি
চিনাকি পথটোৰ বাবে।

প্ৰতাৰিত ঋতুবোৰে
উদং বুকুৰ চন্দ্ৰত
নীৰৱে উৰেটো জীৱন
বৈ থাকিব চিৰদিন চিৰ কাললৈ
এইদৰে এনেকৈয়ে
ছাঁ পোহৰৰ নদীময় পথত।

## কলাগুৰু বন্দনা

**কল্পনা কটকী**
শিৱসাগৰ

অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ
অবিনশ্বৰ জ্যোতি-কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা
তুমি, অসমী আইৰ
জনগণৰ প্ৰাণৰ লগৰী,
মানৱপ্ৰেমী, সুৰ সুন্দৰৰ পূজাৰী।
তুমি স্বাধীনতাকামী, শ্ৰমীক দৰদী।
দানী দুখীৰ দুখ মোচন
সাম্যবাদ তোমাৰ জীৱন-দৰ্শন।
বিপ্লৱৰ বাটত এক শ্ৰেণীকৰণ।
জ্ঞানযজ্ঞৰ পূজাৰীও আছিলা তুমি আজীৱন।
বিপ্লৱী সংগ্ৰামী জাগৰণ গীতেৰে
শ্ৰেণীহীন বিভেদহীন সুন্দৰৰ সমাজ
গঢ়াৰ উদ্দেশ্যৰে
বীৰদৰ্পে উৰুৱালা
ভাৰতীয় ত্ৰিৰঙ্গ পতাকাখন।
বিপ্লৱৰ জুই জুমুঠিৰে
দলিত পীড়িতৰ আশাৰ প্ৰদীপ হৈ
গঢ়িছিলা শ্ৰমিকৰ মুকুতিৰ সপোন।
তোমাৰ সুন্দৰ সন্ধানী সংস্কৃত মনৰ উমেৰে
কৰিলা আজীৱন সাহিত্য সাধন।
যাৰ বাবে লভিছিলা
মুকুট বিহীন সম্ৰাটৰ আসন।

## শৈশৱৰ লগৰী

**বিবি মহন্ত**
নামৰূপ

মোৰ শৈশৱৰ লগৰী
চিনাকি চিকুন বতাহ
বসন্তত এজাক প্ৰচণ্ড ধুমুহা হৈ
মোৰ বুকুত সোমাল।

আজি সন্ধিয়াৰ সৌ নিৰল দ্বীপত
দুয়ো বহি আহাচোন বিচাৰি চাওঁ
আচিনাকি কোনোবা
গোপন কোণত
এতিয়াও দুবৰি তলত সৰে
তাৰে অৱশেষ
দুটি এটি পাহি
মাণিক মুকুতা যেন দূৰ অতীতৰ।।

## জীৱনৰ চাকনৈয়া

**মৃদুস্মিতা নাথ**
শিৱসাগৰ

সন্ধিয়াৰ পৰত আলিৰ কাষেদি মানুহজন গুচি যায়,
চকুত হাজাৰ যন্ত্ৰণা, বিষাদ লৈ
মুখৰ ভিতৰত ভোমোৰাৰ দৰে
গুণগুণায় ..........
কিয় এই সন্তান
জীৱন কিহ বাবে?
বৰ নিসংগতাই জুমুৰি ধৰে তেওঁক;
ভিতৰি ভিতৰি তেওঁ
অহৰহ কান্দে,
সকলো পোৱাৰ পাছতো তেওঁক
সন্তানৰ অৱহেলাৰ শূন্যতাই
আগুৰি ধৰে,
চকু মেলি তেওঁ এবাৰ পৃথিৱীখন চাই খোজে সুন্দৰতাই,
উপৰিপুৰুষে থৈ যোৱা
বতাহ-বৰষুণ গৰ্ভৰতা কৰা
পথাৰখনক কয় তেওঁ......
তুমিয়েই মোৰ সন্তান
তুমিয়েই মোৰ আশা।
তথাপিও তেওঁ এবাৰ চাব খোজে
দুখ-বিষাদৰ দিনবোৰক লৈ
সন্তানৰ জীৱনৰ অংকবোৰ
ভাজক, ভাজ্য, ভাগফলেৰে
ভৰা চাকনৈয়া।।

## দুটা যুগমীয়া পৰমাণু

**ৰাজীৱ পাতৰ**

এভাৰেষ্ট শৃঙ্গৰ দৰে
ওখ হ'ব খোজো,
তোমাৰ হৃদয় দাপোন খনি
জুমি জুমি চাবলৈ।

হৃদপিণ্ডৰ চাৰিওটা কোঠালীত
প্ৰৱেশ কৰিম
ট্ৰাইকাস্পিড ভাল্বৰ দুৱাৰেদি,
বৈ যাম শোণিতে শোণিতে
কেৱল এটি ক্ষুদ্ৰতম পৰমাণু হৈ,
মিলি যাম শৰীৰৰ প্ৰত্যেকতো কোষে কোষে।

স্নেহৰ সুঘ্ৰাণ পৰশ লম
তোমাৰ প্ৰতি প'লৰ শ্বাস-প্ৰশ্বাসত,
কেৱল অক্সিজেনৰ কাৰ্যক্ৰমে।

এদিন বিলিন হ'ব মাটিত
সৌন্দৰ্য্য ভৰা এক দেহা,
ধূলিসাৎ হ'ব সময়ৰ সোঁতত।

য'ত তোমাৰ শৰীৰৰ অণু-পৰমাণু
আৰু সেই যে কেৱল এটি পৰমাণু,
ৰূপান্তৰ হ'ব সাদৃশ্য থকা
দুটা অদৃশ্য পৰমাণু।
য'ত নাথাকিব জাত, কুল, ভাষা
হিংসা, ভেদাভেদ পৰশ্ৰীকতাৰ গুণ।

## অনৰ্গল

**অনুৰাগ কাশ্যপ**
নলবাৰী

কিছু শব্দ পৌনঃপুনিক
'কিবা এটা দিব দাদা।"
এই কিবাখিনি কিমান??
এশ, পঞ্চাশ, দহ, বিশ
সাম্যবাদৰ অভিধানত হাঁহি এটা হ'ব পাৰে মানৱতাৰ চিন

উঠক দাদা উঠক,
থালীগাড়ী
থালীখিনি হ'ব পাৰে
তেওঁৰ বকুৰ শূন্যতা
নহ'লেনো প্ৰতিটো ষ্টপেজত কিদৰে ৰয় হৃদয়...

ক্ষুধাত প্ৰতিটো পৌনঃপুনিক শব্দৰ ইতিহাস
জৰাগ্ৰস্ত দীন পুতৌহীন
সেই চিঞৰ
আৱাজৰ সেই সুৰ
য'ত প্ৰতিনিয়ত মানৱতা লুণ্ঠিত হয়
বুভুক্ষ আৰ্তনাদে লৰাব নোৱাৰা আমি চাহাবৰ বাচ্চা....

যন্ত্ৰণাবিলাসী প্ৰতি মনে জানে
আমুৱাই যোৱা সুখৰ তিক্ততা কিমান
সুখৰ ছাঁ এটি পোৱা হ'লে দৈন্যতাৰ ষ্টপেজত
প্ৰতিজন ভোকাতুৰ
জৰাগ্ৰস্ত, বধিৰক
এপলক ৰোৱাই দিলো হয় বুকুৰ হেঁপাহ জ্বলাই

মাথোঁ
সেই জুয়ে নজ্বলাওক
সুখৰ দেশৰ শান্তিৰ নিচান
ব'দত জ্বলা মানুহৰ বাবে এবাৰ শ্বহীদ হ'ব মন....

তেওঁলোকৰ নীলা হাত,
ক'লা ছাল,
তেজ বিৰিঙা গোৰোহাৰ গচকত
প্ৰতিটো সভ্যতাৰ মৃত্যু হওঁক
জীৱন হয় যদি হওঁক
অমৃত্য ধ্যেয় সেউজী সপোনৰ উমংলগা কচৰ...

## আবেলিবোৰ বাউলী কৰি তোলে সেই স্বপ্নদ্ৰষ্টা নাৰীগৰাকীক

**ইলামণি শইকীয়া**

আবেলিবোৰ বাউলী কৰি তোলে
সেই স্বপ্নদ্ৰষ্টা নাৰীগৰাকীক।

এদিন আবেলিৰ বেলিয়ে ঢাকি দিছিল
আইৰ বুকুৰ সুমথিৰা ৰং
চিনাকি ঘাটৰ বিয়লি শেষ পানচৈত উঠি
গুচি গৈছিলো অগস্ত্যি যাত্ৰাৰে
অহেতুক অনুৰাগৰ গৰাকীজন।

ৰ'দে চুই যোৱা ঘাঁহনিডৰাত থাকে
সেউজীয়া এক নান্দনিক গোন্ধ
বিষন্ন নাৰীৰ প্ৰিয় গোন্ধ।
তেওঁৰ বুকুত ছটফটাই থাকে
এজাক হৰবিদ্ধ হৰিণা পহু

দুখৰো নিজস্ব এক শৈল্পীক সুখ থাকে
যি তেওঁক নিঃসংগতাপ্ৰিয় কৰি তোলে
দুপৰৰ ৰ'দৰো থাকে
তেজস্বী মাতাল গোন্ধ
শিপা হেৰুৱাব খোজা মানুহক
ধৰি ৰাখে এই পৃথিৱীৰ সৈতে

আবেলি—আকাশজুৰি জেতুকাৰ ৰং
আবেলি—শেষ হোৱা সময়ৰ ৰং
আবেলি—স্বপ্নদ্ৰষ্টা কোনো নাৰীৰ
বিষন্নতা জীৱনমুখী হেঁপাহৰ ৰং....

## দুচকুত কি জাগিছিল

**মীৰা দত্ত**
দুলীয়াজান



সিদিনা
কি জাগিছিল
মোৰ দুচকুত
আইতাৰ সাঁচতীয়া মৰমৰ পেৰাটো
যেতিয়া আলৈ আথানি হৈ
উচুপি আছিল

নাছিল তেতিয়া
লঙলামুখৰ পদূলিৰ দুৱৰিত
সুৱাগুৰি তোলা হাতৰ পৰশ

ঘাঁহনিডৰা আগতলৈ
কৃষ্ণচূড়াৰ মায়াভৰা চাৱনিত
মনটোৱে পিৎপিতাই ফুৰিছিল
চেতন অৱচেতন
মুখবোৰৰ কাষত

পানীভৰা পুখুৰীত
নতুন ফিচাৰ মুখ
সময়ৰ ডেউকাই উৰুৱালে
ৰঙিলীপেহীৰ তাঁতশালৰ
ৰঙাফুলৰ চানেকি
প্ৰতিধ্বনি হৈছিল
নিমাওমাও গোসাঁইঘৰৰ
মজিয়াত
পিতাইৰ আধৰুৱা মাত

যান্ত্ৰিকতাৰ উশাহত
তেজৰঙা সম্বন্ধবোৰত
আউল-বাউল
ব্যস্ততাৰ মতলীয়া বতাহত
পাম জানো আকৌ
লুকাভাকু খেলি থকা
পুৰণি ঠিকনা।।

## ধুমুহা

**জ্যোৎস্না হিলৈদাৰী শইকীয়া**
বৰপথাৰ

ধুমুহাত থাকে
বাস্তৱক মথিমূৰ কৰাৰ ৰাগ,
আৰু থাকে বাস্তৱৰ প্ৰতি চৰম বিৰাগ।

ই হ'ব পাৰে অনন্য,
আৰু ক্ষণিকৰ বাবে বন্য।
হৃদয় হেৰুৱা মানুহৰ
অতি বাস্তৱৰ ওচৰত
এইয়া যেন চৰম ত্যাগ,
দুৱাৰে দুৱাৰে গৈ
ল'ব পাৰি মাথোঁ ইয়াৰ ভাগ।

## অৰুণাচল

**হেমন কুমাৰ**
চাচনী

সুউচ্চ নীলিম আকাশ চুমি
সেউজী সুষমা তুমি
দিনৰ পখৰত কিয় খুলিছা
দিগন্ত প্ৰসাৰী শুকুলা চাদৰখনি।
নে দাপোনৰ সন্মুখত সাজিব খুজিছা...
তোমাক প্ৰসাধনৰ প্ৰয়োজন জানো?
নিজেইচোন তুমি অৰূপ সৌন্দৰ্য্যৰ মাধুৰীমা।
তোমাৰ বুকুলৈ নিজৰাই গাই
সুশ্ৰাব্য অমৰ গীত।
ছন্দৰ তালত বিৰিষে তোলে চাও তালি নাছ
চিনাকি-অচিনাকি বহু পক্ষীয়ে
যাক পাতি উৰে
কজলা মেঘৰটো চুবলে
কিয়ে বিৰম্বনা নিবিড় ভালপোৱাৰ মায়া
ভিন্ন পশুৰ জাকে যাকে
স্বৰগমত উত্তাৰল হে
টোপনি গ'ল আপঙৰ নিছাত ছাগে
তোমাৰ জলসিক্ত আমাৰ বিদ্যুৎ শক্তি
আমাৰ বুকুৰ আঁচল 'অৰুণাচল'
তোমাৰ 'আক চাই চীন' মানে সৰোবৰ দৰে
দুডাল চুলি কাঢ়িল বুলিলেই কি...?
তোমাক তোমাৰ সন্তানে ধৰ্ষণ কৰিব দিম
তিব্বতৰ খাদ্য সমস্যা দুৰিণীকৰণৰ অৰ্থে
তোমাক বিদায় দিম....।
প্ৰত্যুত্বৰ দিবলে আমি আছো..
'এডভান্স লেডিং গ্ৰাউণ্ড'ত
নিচিন্তে প্ৰসাধন কৰা
পোচাক সলোৱা
অৰুণাচল।"

## মহান শিল্পীজনাৰ সোঁৱৰণত ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত

**ৰূপা সোণোৱাল**

হে, বিশ্ব বিশ্ৰুত মহান শিল্পী
নীৰৱ নিস্তব্ধ মৌনতাৰে শুই আছা
প্ৰস্ফুতিত ফুলৰ থোপাৰ মাজত।
ভাৰত মাতৃৰ সন্তান তুমি
অগণন জনতাই জনাইছে প্ৰণাম,
জাগ্ৰত হোনা আকৌ আহা,
নুইতৰ দুয়োপাৰ জিলিকাবলৈ,
উকা হাত দুখনি লৈ
উৰা মাৰিছিল সুদূৰ মুম্বাইলৈ
তোমাৰ সেই উকা বিছনা
ইতিহাসত সাক্ষী হৈ ৰ'ব।
তোমাৰ কালজয়ী সংগীতে
গংগাৰ পৰা ভগ্নালৈ
একেধাৰে বৈ থাকিল চিৰদিনলৈ।
বিশ্ব বন্দিত শিল্পী,
কিন্তু আজি ম্ৰিয়মান তুমি।
চন্দন কঠাৰ চিতাৰ কাষত
অশ্ৰুসিক্ত নয়নেৰে
তোমাক যাছিলোঁ অঞ্জলি
দুৰন্ত গতি জীৱনৰ ৰথ
হঠাৎ থমকি ৰল,
শূন্য হৈ গ'ল
নিজৰাৰ পাৰ।
সাগৰ সংগমত সাঁতুৰিব পৰা শক্তিয়ে
নিয়তিৰ নিষ্ঠুৰ কালৰ গৰাহত
হাৰ মানিলা
যাযাবৰী শিল্পী তুমি
অসমবাসীৰ হৃদয়ত
প্ৰাণ পাই উঠক
মুখৰিত হওঁক তোমাৰ সংগীত।

## কবিতাৰ পথাৰ

**ৰীণা কোঁৱৰ বৰুৱা**
দুলীয়াজান

কল্পনাৰ চিত্ৰ কল্প এটি
তুলিকাৰ ৰং তুলি
নিভাজ ৰূপত সজাই
অংকিত কৰে সৃষ্টিৰ মহা মন্ত্ৰ
ভাৱ-অনুভূতিবোৰে কাপেৰে নিগৰাই দিয়ে
কল্পনা সাগৰৰ অযুত বাসনাবোৰ
পূৰ্ণিমাৰ জোন হৈ জিলিকি উঠে
সোঁৱৰণীৰ একোটি পৃষ্ঠা
নীলিম আকাশৰ তলত
দশোদিশ পোহৰাই তোলে
হৃদয়ৰ ধ্বনি প্ৰতিধ্বনিবোৰ।
শব্দৰ বিস্ফোৰণত
আন্ধাৰৰ মায়াজাল ফালি
কৰিবতাৰ মুষলধাৰ বৰষুণ হয়
এসাগৰ শব্দৰে গঁঠা মালাডাল
কবিতাৰ পথাৰখন চিৰ সেউজময় কৰি তোলে।

# কবি সন্মিলনৰ শাখা সমিতি গঠন

সদৌ অসম কবি সন্মিলনৰ এটি শাখা কালি উৰিয়ামঘাটৰ ধূপগুৰিত দৈয়াং ৰেংমা সমন্বয় কবি সন্মিলন নামেৰে গঠন কৰা হয়। এই উপলক্ষে ধূপগুৰি জনজাতি হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত এক সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক টংকেশ্বৰ গগৈয়ে। গগন চি বড়োৱে আঁত ধৰা সভাত উপস্থিত থাকি সাম্প্ৰতিক কবিতা সন্দৰ্ভত মননশীল বক্তব্য আগবঢ়াই কবি সন্মিলনৰ মুখপত্ৰ 'সমলয়'ৰ সভাপতি প্ৰণৱ ঢেকীয়াল ফুকনে। সভাত কবি সন্মিলনৰ সহকাৰী সম্পাদক পাৰ্থপ্ৰতিম শইকীয়াৰ উপস্থিতিত ৰোহিত ৰাভাক সভপতি, গগন চি বৰাক সম্পাদক হিচাপে লৈ মৈদাং ৰেংমা সমন্বয় কবি সন্মিলনৰ শাখা সমিতিখন গঠন কৰা হয়। ■

# উৰিয়াম ঘাটত দৈয়াং-ৰেংমা সমন্বয় কবি সন্মিলন

কবিতাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে সদৌ অসম কবি সন্মিলনৰ এটা শাখা গোলাঘাট জিলাৰ অসম-নাগালেণ্ডৰ সীমান্তৱৰ্তী উৰিয়ামঘাটত দৈয়াং-ৰেংমা সমন্বয় কবি সন্মিলন নামেৰে গঠন কৰা হয়। গোলাঘাট জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি ৰোহিত ৰাভাক সভাপতি, কবি গগন চি বড়োছাক সম্পাদক হিচাপে লৈ গঠিত হোৱা সভাখনত সভাপতিত্ব কৰে ধূপগুৰি জনজাতি হাইস্কুলৰ প্ৰধান শিক্ষক টংকেশ্বৰ গগৈয়ে। সভাত উপস্থিত থাকি কবিতাৰ বিষয়ে এক মননশীল ৰসাল বক্তব্য আগবঢ়ায় ড° প্ৰণৱ ঢেকীয়াল ফুকনে। সদৌ অসম কবি সন্মিলনৰ সহকাৰী সম্পাক পাৰ্থ প্ৰতীম শইকীয়াই কবি সন্মিলনৰ বিষয়ে বিশদভাৱে ভাষণ আগবঢ়ায়। সভাৰ লগত সংগতি ৰাখি অনুষ্ঠানত কবিতা পাঠ কৰে পাৰ্থ প্ৰতিম শইকীয়া, প্ৰণয়া পূজা বৰগোহাঞি, নিশাশ্ৰী ৰজক আৰু ৰোহিত ৰাভাই। ■

## পত্নী

**ৰঞ্জিত পাটগিৰি**

যি গৃহস্থৰ পত্নী মৰে অকালতে
সেই সংসাৰৰ ফুল মৰহে কলিতে।

শেলুৱৈ ধৰা কাঁথি
নমচা মজিয়া নসৰা ৰাৰাণ্ডা
জহি-খহি যোৱা বেৰ,
আৰু সমুখত পৰি থাকে এখন
পুৰণি চোতাল।

তেওঁলোকৰ দুৱাৰত প্ৰায়ে এটা
তলা ওলমি থাকে,
পিন্ধা কাপোৰ য'তে-ত'তে পৰি থাকে
পাকঘৰৰ স'তে দূৰত্ব বাঢ়ি গৈ থাকে
আৰু ঘৰখনৰ প্ৰতি ক্ৰমশঃ কমি আহে মোহ।

এনেদৰেই পত্নী নোহোৱা ঘৰৰ সৰ্বত্ৰে
লাহে লাহে অমাৱস্যাই গ্ৰাস কৰে,
ঘৰখন ঘৰ হৈ থাকিব নোখোজে আৰু
গুচি যাব খোজে পত্নী যোৱাৰ বাটেৰে...



চৰাইদেউ জিলা কবি সন্মিলনৰ মুখপত্ৰ "সোণৰ হোলেং" উন্মোচনৰ এটি মুহূৰ্ত্তত

## প্ৰাণচঞ্চলা ছোৱালীজনী

**বিজুলী বৈশ্য**

হাউলী টাউন

পুৱতিৰ নিয়ৰ সনা
সেউজীয়া দুবৰি দলিচাত
সিঁচি দিও আলফুল ময়হে
নৃত্যৰতা সৰগী অপ্সৰাৰ
দেহৰ পৰা সৰি পৰা
সৰু সৰু কোমল মুকুতা মণি।

আহিনে কৈ যায় মোক
তাৰ মনৰ বতৰা
কেনেকৈ..
বৰষাৰ স্নেহৰ বৰষুণত তিতি
তাৰ হৃদয় হৈ পৰে সেউজীয়া
কেনেদৰে
বতাহীয়ে মৰমেৰে হাত বুলাই
নিচুকাই যায় তাৰ ধাননী দলিচা
নৈৰ পাৰত হালি জালি নাচি নাচি
কহুঁৱাই পাতে যেন আহিনৰ মেলা...
এনেদৰেই
আহিন আৰু মই হৈ পৰো
একান্ত বান্ধৱ, অভিন্ন সখা।

## কঁপনি

**মূল ঃ তছলিমা নাছৰিন**

অনুবাদ ঃ ছা-হা-বা হাটি

মই সিমান যুৱতী নহয় যিমান আগতে আছিলো।
কিন্তু সিমান বৃদ্ধাও নহয়, যিমান পিছলৈ হ'ম
তোমাৰ স্পৰ্শত যদি মোৰ শৰীৰ জাগে
তুমি যিয়েই নোহোৱা, বিনা দ্বিধাই মই শুম।

## শাৰদা

**তুলিকা বৰুৱা**

উৎসৱ মুখৰ আহিন
শ্যামলী পথাৰ, গহীন বননি
সুবাস ভৰা শেৱালিৰ
আমোল-মোল গধূলি।
উথপ-থপ হৈ পৰে কবিৰ হাতৰ কলম
চৌদিশে বাজি উঠে সুৰৰ ঝংকাৰ
শাৰদী সন্ধীয়া ভৰি পৰে গীতৰ শৰাই
এয়াইতো শৰৎ।
উৎসৱৰ মুখৰ শৰৎ
আহিছে দুৰ্গোৎসৱ,
ৰং সনা তুলিকাৰ সৃষ্টিমুখী তাড়নাত
জীৱন্ত হৈ উঠে কৃষকৰ শুকান খেৰ
ফুটি উঠে ব্যস্ত শিল্পীৰ একাগ্ৰতা
ঢালি দিয়ে তাত শিল্পীৰ প্ৰাণ
সৃষ্টি হয় উৎসৱ মুখৰ শাৰদা।

## অসম

**পৰিস্মীতা ফুকন**
চক্ৰাই

অসম এখন ৰণভূমি,
এখন কাম্যভুমি,
আৰু এখন ইতিহাসৰ গৌৰৱথলী
দেশৰ হকে যুঁজি
মোমায়েকৰ ডিঙিত তৰোৱাল ৰাখি
... কৰা মোগলৰ নীতি;
বগা লুইতক কৰা ৰাঙলী
এইখন লাচিতৰ ৰণভূমি
আকাশী গংগা নমাই কৰা পৱিত্ৰ
শান্তিৰে গঢ়া ধৰ্ম,
প্ৰচাক কৰা দুয়ো মিত্ৰ,
এইখন শংকৰ-আজানৰ ধৰ্মক্ষেত্ৰ
ত্যাগেৰে ৰখা মান
কপালৰ সেন্দুৰ কণ,
প্ৰেমৰ গাঁথা লিখা
জয়মতীৰ এই অসমখন।
কেঁচা তেজ চিটিকী পৰিল
ব্ৰিটিছৰ গুলী খাই,
এইখন অসমতে
কনকলতা আগবাঢ়ি যায়
জিলিকোৱা লুইতৰ পাৰ
অমৰ সুধাকণ্ঠৰ গান
আজি আছেজানো ডেকাচাম
দেশৰ বাবে ওলমাবলৈ
ফাঁচীজৰী,
সাহ কৌশল সমান?
ইতিহাসে দুহাই অসমৰ মান,
খোলা আজিও ৰংঘৰৰ দুৱাৰ।
সুধাকণ্ঠৰ অসমীয়া
যদি হয় ভগনীয়া,
কোৱাচোন
থাকিব বাৰ মান?

## চোৰ

**জিতেন চেতিয়া**
চাচনি

আশাৰ কাঁইটীয়া গোলাপ জোপা
স্বপ্ননীলিম বাসনালৈ
মোৰ পদূলিত ফুলে।

তুমি আহিবা শৰতময় সন্ধিয়া
জোনাকৰ ডেউকাত উৰি
পাহি পাহি ফুলি উৰা সেউজীয়া সপোনবোৰ
মোৰ বুকুত গুজি দিবলৈ।

আনৰ সুখ কাঢ়ি
নিজৰ ভঁৰাল টনকীয়াল কৰা
সিহঁতলৈ ভয় নকৰিবা
সিহঁত এনেকুৱাই আনৰ ৰটনাত মচগুল
হিংসাকুৰীয়া স্বভাৱ

তুমি আহিলে বন্ধ জপনাখন দেখি
ওলটি নাযাবা
মাত এষাৰ দিলেই
মোৰ হেপাহঁৰ গোলাপ জোপাই
তোমাৰ সম্ভাষণ জনাব
মাথোঁ....
সিহঁতৰ বাবেহে বন্ধ কৰি ৰাখো
মোৰ মন মগজ আৰু চিন্তা চেতনাক
কাৰণ সিহঁত একো একোজন
গভাইত চোৰ
আনৰ আশা ..... নিয়ে গোপনে।

## মোৰ গাঁৱৰ সাধু

**মামণি শৰ্মা**

মোৰ গাঁৱৰ সাধু
গোন্ধত আমোলমল
মোৰ গাঁৱৰ সাধু।
আজন্ম ৰৈ আছে,
মিঠা সপোনৰ বাটত
ডবা বৰকাঁহৰ মাতত....
খেজুৰ বকুলৰ সুবাসত
সেমেকা চোতালবোৰ,
পাৰ চৰাইৰ ৰুণ
আৰু গছৰ ভাঁজে ভাঁজে,
বেলিৰ ৰঙচুৱা মুখ
দেও দি ফুৰে,
জীয়া ছবি হৈ,
প্ৰাপ্তি-অপ্ৰাপ্তিৰ যোগ বিয়োগ
খেলখন যেন ওলমি থাকে
আলি কেঁকুৰীৰ ভাঁজত
পাৰ চৰাইৰ পাখিত।
জোনালী ৰাতিৰ ছবিখন
বগাই ফুৰে,
জীৱনৰ কেনভাচত।
জিলিৰ মাতত নিৰ্জন হোৱা
দুপৰৰ ছবিখনতো
উকমুকাই থাকে কপৌজাকৰ ৰুণ,
শীতে সেমেকা কৰি তোলা,
স্মৃতিৰ পেৰাত
কলমতিয়াই ফুৰে,
ল'ৰালিৰ জীয়া ছবি।
বতাহজাকৰ স'তে সেয়ে
উৰি যাওঁ গাঁওখনিলৈ।



## ডিজিটেল প্ৰেম

**প্ৰদীপ কুমাৰ সিংহ**

ৰাইফাইৰ আৱেশৰ স্পৰ্শ বিচাৰি
স্মাৰ্ট চিটিৰ অলিয়ে-গলিয়ে
স্মাৰ্ট ফোন লৈ ঘূৰিফুৰা
মই এজন ডিজিটেল ভিক্ষাৰী।

অস্তাচলত সুৰুয ডুবাৰ পাছত
গোলাপী ৰাগীত মাতাল হ'ব খোজা
নীলাজ নীলাভ
এই মহানগৰৰ
প্ৰতিটো সন্ধিয়া
ফুটপাথ মোৰ বৰ প্ৰিয়।

নিয়ন লাইতৰ মায়াবী জালত
মায়াবী নিশাৰ স'তে
ডিজিটেল প্ৰেম মোৰ
স্মাৰ্ট চিটিৰ প্ৰতিটো সন্ধিয়া।

আভৰণ খুলি হৃদয় জুৰোৱা
হিৰু দাৰ
সেই মেনুৱেল প্ৰেমৰ স'তে
মোৰ প্ৰেমৰ
কোনো সম্পৰ্ক নেথাকে।

এই অতি মহানগৰৰ
বাৰ, কাফে অথবা ডিস্কথেকৰ
বিলাসী গ্ৰাহকৰ কাষত
ৰঙীন চামিয়ানাৰ
কোনোবা এচুকত
মোৰ প্ৰেম হয় পৃথিৱীৰ স'তে।

ৰাইফায়ে ঢুকি পোৱা
কোনো বিলাসী ললনাৰ চু-নুচু সান্নিধ্যত
মুকলি হয়
মোৰ প্ৰেমৰ কানেক্টিভিতি
2G...3G...4G...
এনেদৰেই বাঢ়ি যায়

## তোমাৰ খবৰ ভাল নে?

**মিণ্টু হাজৰিকা**

মই যেতিয়া আৰু মই হৈ নেথাকো, ঠিক তেতিয়া
হৃদয়ৰ গভীৰ তলিৰ পৰা শব্দবোৰ ধাৰে আনি চিঠিখন লিখিবলৈ আৰম্ভ কৰোঁ
বুকুত আৱেগ তুলি ৰৈ থকা হেঁপাহবোৰ বুকুত হেঁচা মাৰি ধৰি
প্ৰথমে তোমাৰ কুশল বাৰ্তা জানিব বিচাৰো
তোমাৰ খবৰ ভাল নে?

তোমাক ওচৰত হেঁপাহত বন্দী চৰাইৰ দৰে চটফটাই থাকো
অথচ তোমাক ওচৰত পালে অবুজ যন্ত্ৰণাত বিৱৰ্ণ কলিজাৰ প্ৰতি
সমবেদনাত আহত হওঁ
সেইবাবেই প্ৰিয় কবিজনে কৈছিল, 'প্ৰেম নিশ্চয় এনেকুৱাই আৱৰণ খুলি হৃদয় জুৰাই।"
তোমাৰ বুকুৰ বেদনাবোৰেও মোৰ ওচৰত মিছা কথা কয়, তুমি ভালে থকাৰ
অথচ মই জানো তুমি আজিকালি ভালে থাকিব পৰা নাই

মই বিচাৰো তুমি বুকুখন খুলি মোক দেখুওৱা
তোমাৰ কজলা দুখবোৰ মোৰ কলিজাখনতো লেপি মচি লওঁ
ময়ো জী চাও নাবীমনৰ আকুণ্ঠ বেদনা
আৰু তেতিয়া তুমিও মোক সুধিবা, তোমাৰ খবৰ ভাল নে?
মই উত্তৰ দিম, তুমি অবিহনে মই বাৰু কেনেকৈ থাকো কোৱা।

## বিশ্বাস নামৰ নৈখন

**কবিতা কলিতা**
পাঠশালা

মোৰ কলিজাৰ মাজেৰে বৈ যোৱা
বিশ্বাস নামৰ নৈখনৰ পানী
লাহে লাহে শুকাই যাবলৈ ধৰিছে

মোৰ হৃদয়ৰ মাজত থকা
মৰমৰ সেউজীয়া ৰংবোৰো
লাহে লাহে হালধীয়া হ'বলৈ ধৰিছে

মোৰ মনৰ আশাৰ পাহিবোৰ
মই নজনাকৈয়ে অজানিতে
লাহে লাহে মৰহি যাবলৈ ধৰিছে

হেঁপাহৰ ৰংবোৰ দেখোন
কলা ৰঙৰ হ'বলৈ ধৰিছে
দুগালেৰে বৈ গৈছে এখন তপত অশ্ৰুনৈ।।

## মই লৈ যাম তোমাৰ শিৰৰ সেন্দুৰ কণ.....

**দয়াল শংকৰ বৰদলৈ**
নগাঁও

মই মৰিম এদিনাখন। যিদিনাখন মোৰ সকলো হেৰাব
জীৱনৰ দুখ-কষ্ট ওৰ পৰিব।
সেইদিনা বাৰু কিদৰে বিদায় জনাবা? মই অসহায়
হাঁহি হাঁহি তোমাক এৰি যাম দূৰণিলৈ। য'ৰ পৰা কেতিয়াও
উভতি নাহো।

দিন ৰাতি একাকাৰ হৈ পৰিব। বেলিও পশ্চিমত মাৰ যাব
কিন্তু, অভ্যস্ত দেহাৰে
উকা কাপোৰখন লৈ কিদৰে ঢাকি দিবা
মোৰ সোণাৰু ফুলীয়া মুখখন?

ৰৈ ৰৈ ফুলো মৰহি যাব আৰু সমস্ত হৃদয়ে
লিৰিকি-বিদাৰি কান্দিব। জানা, সেইদিনাখন এপল-দুপলকৈ
মেঘ ৰঞ্জনী কলিজাৰ ছাঁ নিগৰিব আৰু বসুন্ধৰাৰ বুকুত বিষাদৰ নৈ ব'ব।

ফলধৰা জীৱন নাহে আৰু দুনাই। বুকুৰ মাজত বজ্ৰপাত নিনাদৰ কোলাহল বাঢ়িব
আৰু ৰঙৰ সঁফুৰাবোৰে খুন্দিয়াই খুন্দিয়াই ধৰিব তোমাক হেৰুৱাব শিহৰণে,
সেইদিনা বাৰু মুখলৈ এবাৰ চাবা কেনেকৈ? সপোনবোৰ বিলীন হ'ল নিষ্ঠুৰ নিয়তিৰ বুকুত।

বকুল তলৰ শেৱালি জোপা আজি নিঠৰ হ'ল। শত্ৰু বুকুত পাহিবোৰো লেৰেলি গ'ল
সেইদিনাখনৰ পৰা মই তোমাৰ নহয়। কোনোবা অচিন দেশৰ যাত্ৰী
তমিশ্ৰাৰ বুকুত মই মৃত্যুৰ সংগীনী।

হে, প্ৰিয়তমা, মোৰ ক্ষমা কৰিবা। জীৱনত কি দিলো কি হেৰুৱালো,
মই নাজানো।
সাত সাগৰ তেৰ নদী শুকাই গ'ল মই লৈ আহিলো তোমাৰ শিৰৰ সেন্দুৰ কণ
মাথোঁ, উপায়ন্তৰে আগবঢ়ালো এখনি উকা বস্ত্ৰ। এইখনেই আজিৰ তোমাৰ সংগীনি।

## নজনাকৈয়ে এদিন

**শৰৎ হাজৰিকা**

নজনাকৈয়ে এদিন মই তোমাৰ নিৰ্জনতাৰ ওঁঠত
এশাৰী কবিতা হৈছিলোঁ। নজনাকৈয়ে এদিন মই তোমাৰ বুকুত
জোনাকৰ চুবুৰী এটা পাতিছিলো
নজনাকৈয়ে এদিন মই তোমাৰ ওঁঠৰ তলত
বাঁহী এটাৰ জুৰণীয়া মাত আছিলো, নহ'লেনো কিয়
. সিঁচি দিলোহেঁতেন মোৰ বাটত ৰঙা পলাশৰ গান।
ঘৰ এখনৰ বাটেৰে নজনাকৈয়ে যিদিনা তোমাৰ ভিতৰলৈ সোমাইছিলো
জীৱন উৎসৱ উদ্‌যাপন কৰা খেতি-মাটিৰ ৰ'দৰ আকাশ এখন পাইছিলোঁ
আৰু সেই ৰ'দত তিতি-বুৰি কাটি লৈছিলোঁ মাটি ঘামৰ জংগম শিপাৰ ৰং।

## লবী

**ৰাজেন দাস**
ডিব্ৰুগড় বিশ্ববিদ্যালয়

অফিচটোত পোৱাহিয়েই নাই;
গোটেই ৰাস্তাটোত
কেঁচা মঙহৰ গোন্ধ,
আৰু এদল মাংস
টনা গভাইত শিয়ালৰ
তেজে পিৰপিৰাইছে
পৃথিৱীত কিহৰ
ৰি ৰিৱনি বৃদ্ধাশ্ৰমৰ
উচুপনিৰ দৰে...
সভাই সভাই ময়েই
বুকু ডাঠি কথা কৈ
মোকেই চম্ভালিব
নোৱৰা ময়েই লবী
মোৰেই ভৰিতে কুঠাৰ
মৰা মোকেই নিন্দিত
কৰা তহঁতৰেই চাল
চুবাই মই এতিয়া
দামী লবী তাৰকা
ক'ত অট্টালিকাৰ....
মোক মিনতি নকৰিবি
পাৰ যদি টোপোলাৰে
মন ধৰিবি এলাগী নহ'ব
সোঁহাতে-বাওঁহাতে
চক্ৰবেহু দেখি ইফালে পুতাইক লৈ
দেখা সপোনে ঠাল-ঠেঙুলি
মেলিব নে...ন
এনে লাগিছে যেন
ময়ো মিতিৰালি কিয়
নকৰিলোঁ লবীৰ
হে হবীৰ...।

## জীৱন নদীৰ মাতাল ঘাট

**স্মৃতিৰেখা কলিতা**
নামৰূপ

জীৱন নদীৰ মাতাল ঘাট,
অতন্দ্ৰিত যৌৱনৰ নিমন্ত্ৰণ,
চকুৰ চিনাকি বহুতো চালো,
বাটৰ লগৰী বহুতো পালো।

ফাগুনৰ মলয়াজাকৰ দৰে
থিতাপি নৰ'ল বুকুত
চিনাকি নহ'ল মনত।

জীন নদীৰ কোবাল সোঁত
মেলিদিলো নাও
বঠা বাই অতিক্ৰমিলো
ঘাত-প্ৰতিঘাত
সুখ বিচাৰিছিলো সোঁৱনশিৰি নৈত
সোণ বিচৰাৰ দৰে।

জীৱন নদীৰ দূৰ দিগন্তত
অস্ত ৰবিৰ বিদায় ক্ষণত
নদীৰ ঢৌৱে কেতিয়াবা সোধে
জীৱনত পালানো কি?
উদং হাত দুখন মেলি দিলো।
পৃথিৱীৰ প্ৰেমে আলিঙ্গন কৰে
দূপ দিগন্তৰ দৰে
পৃথিৱীয়ে ক'লে....

সংগী মই সদায় তোমাৰ
নীলা আকাশখনৰ দৰে
সেইয়াই জীৱনৰ মাদকতা
ৰজস্বঃলা পথাৰখনৰ দৰে।

## জাতি-মাটি-ভেটিৰ দুস্বপ্ন

**সত্যজিৎ ভূঞা**

কলমৰ উচুপনিত
শব্দবোৰ তিতি যাই...

এয়া দাসত্বনে
নে আমিবোৰ বাক্‌ৰুদ্ধ ...?
সাম্প্ৰতিক সময়
সম্প্ৰীতিৰ নহয়

বণিকগোষ্ঠীৰ শাসন
খিলঞ্জীয়া সংকটাপন্ন
কাৰাগাৰত নহয়
মুক্ত আকাশৰ তলত
অপৰাধী সকল...



জাতি-মাটি-ভেটিৰ দুস্বপ্ন
সকলোৰেই দেখিছে
উচ্ছেদৰ অসহনীয় যান্ত্ৰণা
এমুঠি অন্নৰ বাবে
সংগ্ৰামৰত সৰ্বসাধাৰণৰ
দুচকুত জাতি-মাটি-ভেটিৰ দুস্বপ্ন

## বন্তি

## আইৰ স্মৃতিত

**মৃগাংক বৰুৱা**

গোলাঘাট

গোসাঁই ঘৰত
আলোকৰ প্ৰাৰ্থনাৰে
আয়ে এগছি বন্তি জ্বলাইছে
সন্ধিয়াটো ধূপৰ দৰে গোন্ধাইছে... ।

কানিমুনি ক্ষণৰ বতাহ এচাটিত
শুকান পাত সৰিছে
সৰাপাতে ক'লে
সময়ৰ অনিৰুদ্ধ গতিত
জীৱনো সৰাপাত হয়
যাক মাটিয়ে সামৰি থয়।

## উলংগ মোৰ দেশ

**ৰীতা হাজৰিকা দাস**

দুলীয়াজান

উলংগ দেশত কোন বাৰু সিহঁত???
অনিদ্ৰা অনাহাৰে নীৰৱে আছে পৰি
নিজান বাটৰ দাঁতিত
হাতে হাতে ভঙা কাঁহী বাটি
আছে মাথোঁ তাতে ভাত এমুঠি
মলিয়ন বস্ত্ৰ বনিয়ন
পিন্ধি দেহাত হাড়ে চালে লাগি
ভ্ৰূক্ষেপ নাই তালৈ অভিজাত অভিনেতাৰ
অহা যোৱা কৰা
মাথোঁ তাৰ
চলিছে কেৱল নানা ৰঙী
সুৰাৰ আৰু খাদ্যৰ সম্ভাৰ

ক্ষণ গণি গণি আহে কাল মাজৰাতি
ভদ্ৰজনৰ মুখাপিন্ধাৰ
এন্ধাৰত নাৰীৰ অভিযান যৌনচাৰ
ধংস লীলাৰ সৃষ্টি আনে
শত কিশোৰীৰ পুষ্পিতাৰ
হে, উলংগ দেশ মোৰ
সুকুঙা বিচাৰি আহা ওলাই
সজাম তোমাৰ পুণৰ চৰণ ধুৱাই ন-সাজ
পিন্ধাই
শক্তিৰ অধিকাৰীণী হে ৰম সদায়।।

## সময়

**পৰিমিতা গোস্বামী**

ধনশিৰি

তুমি ন'কবা, কেতিয়াও নক'বা
সময় স্বাৰ্থপৰ, সময় পাখি লগা,
সময় প্ৰৱঞ্চক,
মই বেয়া পাওঁ জানা....
সময়ৰ স'তে মোৰ অহেতুক প্ৰীতি,
মোৰ হৃদয়ৰ নিভৃত কোণত
সংগোপনে শুই 'মই' টোয়ে
অনৰ্গল, অহৰ্নিশ অপেক্ষা কৰে 'সময়' লৈ
সুন্দৰৰ সময়লৈ
মোৰ ভাল লাগে জানা...
সময় সময়েই দিও কিনিব নোৱাৰা,
সময়ে ভ্ৰূক্ষেপেই নকৰে
তুমি ধনৱান নে দিনহীন,
তুমি সুন্দৰ নে, কুৎসিত
সময়, নিজস্ব স্থিতিত অচল অটল,
সুখো দিব অন্তৰ উজাৰি,
দুখো দিব হৃদয় বিদাৰি,
প্ৰাপ্তিৰ তৃপ্তি দিব,
অপ্ৰাপ্তিৰ তিক্ত দিব,
সকলোয়েই স্পষ্ট, জল জল পট পট
সেয়ে কৈছো জানা,
তুমি নক'বা
সময় স্বাৰ্থপৰ, সময় পাখি লগা,
সময়ৰ সৈতে মোৰ প্ৰেম হৈছে
অহেতুক, একৃত্ৰিম, নিৰ্ভেজাল প্ৰেম,
জন্মব্যাধি উপাসনাৰ ফল মোৰ
প্ৰেমিক 'সময়'।

## কবিতাই কথা কয়

**দীপিকা দত্ত**

দুলিয়াজান

কবিতাই
কথা কয়
কবিৰ মনৰ কথা
সুখ-দুখৰ অলেখ গাঁথা
কাৰোবাৰ মৰমৰ হেঁতা ওপৰা
কাৰোবাৰ খাদ্যৰ টনা-আজোঁৰা
প্ৰতিটো খোজতে কবিৰ কবিতাই বৰণ সলায়
দৰাচলতে
কবিৰ সৃষ্টিশীল মনে
অকনো নামানে বাধা
আপোন-পৰৰ-উচ্চ-নীচৰ
যেতিয়াই মন যায়
লিখিব পাৰে
প্ৰকাশ কৰে অন্তৰনীৰ্হিত ভাৱ
ফুটাই তোলে বাস্তৱিক তথ্যচিত্ৰ
কবিৰ কবিতাই কথা কয়
আৱেগ অনুভূতিৰ
জীৱন্ত ছবি
ধৰি ৰাখে শব্দৰ মায়াজালত।

## আইৰ আঁচল

**তুলুমণি শইকীয়া**

খোৱাং

আইৰ আঁচলত
মুখ ঢাকি ফুৰা
শৈশৱৰ সোণোৱালী দিনবোৰ...

চিন্তা ক্লেশহীন
পাৰাপাৰহীন উচাহ
সুখৰ নৈত
সাঁতুৰি নাদুৰি
কুক্ ভা খেলত মগন...

নাছিল কৃত্ৰিমতাৰে ঢাকিবলৈ
জীৱনৰ গোপন পৃষ্ঠা।

চিন্তা আৰু কল্পনাৰ
সংমিশ্ৰণত
গতি কৰে জীৱন
উদিত কিম্বা অস্তগামিত
সুৰুযৰ দৰেই সত্য হৈ পৰে
কৃত্ৰিমতাৰ আৱৰণ।

পোৱা-নোপোৱাৰ দোমোজাত
হাঁহাকাৰ কৰি উঠে জীৱন
অকাৰণ নামহীন যন্ত্ৰণাত
আস্ফালিত হয় হৃদয়..
নিনাদিত হয় কলিজাৰ
ক্ষত বিক্ষত ঘাঁ।

সপোনবোৰ মোৰ
এজোপা বাঁহগছৰ দৰে নাছিল অ'
বাঢ়ি গ'লেই হাউলি আহিবলৈ।

আইৰ আঁচলখন এতিয়া
মোৰ
লোতক শোহা
দীঘ-বাণীৰ সমাহাৰ
দুখৰ পৃষ্ঠাৰ ঢাকি ৰখাৰ
আৱৰণ...
এক নিভাঁজ আৱৰণ...।।





## কইনা

**ভাৰতী চক্ৰৱৰ্তী**

ডিব্ৰুগড়

কানাইৰ হাঁহি
মনত হেজাৰ বসন্তৰ ৰাগি
কানাইৰ বাঁহী
দেহত ফুলে পদুমৰ পাহি

কানাইৰ আঙুলিত কামসেন্দুৰ
ৰ'দত জিলিকে হৃদয়

শৰতৰ আকাশৰ নীলা বুকু ভেদী
কানাই পূৰ্ণিমাৰ জোনাক
কানাই আমাৰ শক্তি
কানাই আমাৰ ভক্তি

আৰহমান সুখৰ ৰাগিনী তুলি
কলিজাৰ দুৱাৰত
বোধিসত্ব পদ্মপাণি

কানাইৰ বাবেই আমি নাচনী চপলা
ছন্দ তুলিকাৰে তুলি সুখ-স্পন্দন
সোণোৱালী ছবি আঁকা

কানাই আমাৰ স্বপ্ন
দোক্‌মোকালিৰ ঘণ্টা ধ্বনিৰ দৰে
বাজি থকা
এক পবিত্ৰ শব্দ

সুখতো
দুখতো
আন্ধাৰতো-পোহৰতো
কানাই আমাৰ খোজৰ সাৰথি
কানাই আমাৰ সাঁজৰ আৰতি।।

## কেতেকী

**বীৰেণ কোঁৱৰ**

ধেমাজী

কৰেনো বনৰীয়া পক্ষী তই?
ব'হাগৰ বতৰা কঢ়িয়াই মনৰ উলাহত
দুভাগ ৰাতি ৰৈ ৰৈ বিনাই
মোৰ দুচকুৰ টোপনি হৰিলিহি।

তইতো নেজান দুখ বেজাৰ ভাগৰৰ কথা
অকলে অকলে নিজানত প্ৰাণ খুলি
অহৰ্নিশে সুৰদি সুৰেৰে গীত গাই
গোটেই চৌপাশ ৰঙালী কৰি তুলিলি।

কেতেকী তোৰ অমিয়া গীতৰ সুৰত
পশু-পক্ষী গছ-লতা, বন সকলো
আত্মনন্দ হৈ নাচি উঠে।
তোৰ সুৰৰ ৰাগিত মতলীয়া হৈ
বিহুৱা ডেকা-গাভৰুৱে বিহুগীত জুৰে

কেতেকী তই বৰ বুকুৰ আপোন
তোৰ অমিয়া সুৰৰ পৰশত
কবি শিল্পীৰ হাতত প্ৰাণ পাই উঠে
একোটি গীত গল্প কবিতা লিমাৰিক।

চৌপাশে ব'হাগৰ সুবাস কঢ়িয়াই ফুৰি,
আবেগেৰে ভৰা হৃদয়বোৰ তোৰ সুৰেৰে
বৰ্হমথুৰি ৰঙৰ দৰে ৰঙীণ কৰি তোলা
তয়েই মোৰ মৰমৰ ধন কেতেকী।।



## শৰতৰ কবিতা

**ধৰ্মেন্দ্ৰ নাথ**

শৰৎ শৰৎ লগা
এই মিঠা ক্ষণ
মলয়া জাকে দিয়ে
এক মিঠা শিহৰণ।

নৈৰ পাৰে পাৰে
কঁহুৱা হালিছে জালিছে
নৈৰ পাৰৰ কঁহুৱা দেখি
মোৰ মন পখিলা হৈ উৰিছে

আহ কিযে এই মিঠা ক্ষণ
শেৱালিৰ সুবাস
নিয়ৰৰ টোপাল
শৰৎ শৰৎ মোৰ মন

মোৰ হৃদয় পদূলিত
ফুলিছে শেৱালি এজোপা
এয়া যে শৰতৰ বতৰা

মোৰ হৃদয়ত ফুলা
শেৱালি জোপাই
আজি বৰকৈ আমনি কৰিছে
শেৱালিৰ সুবাসে

## দোক্মোকালিবোৰ

**দেৱব্ৰত মহন্ত**

ছায়াচ্ছন্ন বিষাদৰ সেমেকা ছাঁত নিমাত হৈ
পৰি আছে অতিয়া নৈবোৰ,
অৱসন্ন নিশাৰ কৰুণ তুলিকাবোৰ

কি বুলি কওঁ তেওঁক
এন্ধাৰে পোহৰে বৰ্ণময় এখন বসুধাৰ বোজা
পিঠিত বান্ধি যি বুলিছিল বাট,
আৰু অতিক্ৰম কৰিছিল পাহাৰ অথবা অটব্য অৰণ্য

উচুপি উচুপি গেয়া ছোৱালীজনীয়ে কান্দিছে,
ধুমুহাত ছলি পৰিছে আনকি বৃক্ষ
নতু, কেনভাচৰ সুঠাম সেউজীয়া ৰং

মৌনতা মানেই সপোনৰ শীলন সমাধি নহয়,
ক্ষণিক বিৰতি মানেই যিদৰে যাত্ৰাৰ অনাকাংক্ষিত
এক সমাপ্তি নহয়।

হে শিল্পীসকল, আহক
ছাই হৈ যোৱা পৃথিৱীত আমি সকলোৱে আকৌ
প্ৰস্ফুটিত কৰি তুলো তেওঁৰ দিনবোৰ,
নিদ্ৰামগ্ন এক পথিকৰ দোক্‌কোকলিবোৰ....

## অনুৰণন

**ৰিদিপ চেতিয়া**

বৰপথাৰ

শীতৰ আলিংগনে হাড় কপোৱা
হাবিতলৰ নিজান আলিবাটত
কাঞ্চনবনৰ বতাহজাকে কঢ়িয়াই আনে
বিস্তীৰ্ণ বলুকাৰ হেঙুলীয়া ৰহণ
কিবা এটা পোৱাৰ দুৰ্বাৰ হাবিয়াস লৈ
কঁপি উঠে পদপথৰ সৰাপাতবোৰ
এখোজ-দুখোজকৈ আগবাঢ়ে
দিগবলয়ৰ লয়বদ্ধ জোনাক
নিদাৰুণ সময়ৰ নিৰ্বোধ চিৰালফাটত
এদিন নৈৰ পাৰৰ বালিঘৰটিৰ
নোহোৱ হয় চিন-মোকাম
মৰতৰ বুকুলৈ নামি আহে
মদৰুৱা মৰুৰ নিমাও-নিস্তব্ধতা
প্ৰিয়জনৰ বিৰহত বিভ্ৰান্ত
চন্দ্ৰলেখাৰ চিত্তচঞ্চল সপোন
শিলৰ পাহাৰখন আজিও সাৰে আছে
সাৰে আছে অনিৰুদ্ধ সময়ৰ গতি
হাচনাহানাৰ সুগন্ধত আচ্ছন্ন
বিষাদ বিটোত হিয়াৰ অণুৰণন
ৰাতিৰ আঁচলখন খহি পৰে
নিথৰুৱা মোৰ বুকুৰ বাগিচাত
বহুদিন শুনা নাই বসন্তৰ গান
দূৰণিৰ ৰহঢলা পথাৰত সেউজৰ
হৃদয়জুৰোৱা দেওধনী
আকাশৰ পৰা সৰি পৰে
এটি সুখৰ পপীয়া তৰা
এৰাবাটৰ সুৰেৰে পৰিতৃপ্ত
মোৰ মনৰ নিস্তৰংগ পৃথিৱীত।



## বনকৰা ছোৱালীৰ স্বীকাৰোক্তি

**নবীন বুঢ়াগোহাঁই**

ধেমাজি

আকৌ মোক ঘৰৰ পৰা দূৰৈলৈ নপঠাবি
তহঁতৰ স'তে মুকলিকৈ থাকিবলৈ দে
আনৰ ঘৰত আগতে থাকোতে বহু অভিজ্ঞতা হ'ল
পুনৰ যদি মোক পঠাৰ বনকৰা ছোৱালী কৰি
মই পলাই গুচি আহিম পিতাই।

পিতাই
আনৰ ঘৰত থাকিলে বুজিবি
কামৰ ওপৰত কাম ভাল মাত এষাৰো নাই পাকে প্ৰতি চিঞৰ
খোৱা-শুৱা হিচাপ নাই এৰেহা কেৰল এৰেহা
আজৰি বুলিবলৈ নাই, বহুদিন ফৰকাল আকাশ দেখা নাপায়
কিনো কম তোক তহঁতৰ চৈধ্যপুৰুষৰ মূৰত ধৰি গালি
ছাঁটোকে দেখিব নোখোজে; খোজে প্ৰতি ভুল
মালিকৰ অশিষ্ট ব্যৱহাৰ কদৰ্য্য চাৱনি
মালিকনীৰ পোছাকৰ তলৰ পোছাক এপদ এপদকৈ মুখ খোলে।

যিমানবোৰ বেইমানি কাম হয় চববোৰ ৰাতি হয়
তই নুবুজিবি পিতাই; সিহঁতৰ আছে অন্য এখন পৃথিৱী
দিনৰ পোহৰত সিহঁতৰ কথাত লাজ থাকে ৰাতি হ'লে একো নাথাকে

পিতাই তেনে ঠাইলৈ মোক নেঠেলিবি
হ'লেও আমাৰ ঘৰ ভগা-চিগা সঁচা অন্তৰ আছে
এসাজ খাই এসাজ নাখাই থকাই ভাল
হোৱাই নোহোৱাই আমি বৰ শান্তিত আছো
মালিকৰ পকী দালান হ'লে কি হ'ব মৰমৰ মাজত থাকে বিষ
তাতকৈ ইয়াত ভাল; তোৰ গালি-গালাজৰ মাজত বহু স্নেহ থাকে।

পিতাই সিহঁতৰ মৰমৰ জিভা আছে
মোক চেলেকিব খোজে
মোক চেলেকিব খোজে।

পিতাই তই ক' মোক বনকৰা ছোৱালী কৰি পুনৰ নপঠাওঁ বুলি
ক' পিতাই ক' কাবৌ কৰিছোঁ
ক' পিতাই ক' মই তোক কাবৌ কৰিছোঁ।

## স্থিৰ অমাৱস্যা

**পিকি পাৰবীন**
পুথিমাৰী

যান্ত্ৰিকতাৰ চেপাত যেতিয়া
কণ্ঠৰুদ্ধ হয়
নীতি-নিয়মৰ থলুৱা নিচাবোৰ
তুমি জানো শুই পৰা নাছিলা
আঠুৰ মঙহ বুকুত সাৱতি?
পথাৰবোৰে জানো কন্দা নাছিল
নিৰৱে কঠিয়াৰ দলিচাখনত
হিয়া ঢাকুৰি বাগৰি বাগৰি?
আউল লগা জঁটাধাৰীবোৰ
পাগলামি গোন্ধত গা ধোঁৱা
বুজিছো, নিতে বুজিছো...
মিছাৰ কোলাত এয়া জানো
গভীৰ নিদ্ৰা?
তুমি বাৰু চিঞৰি উঠানে
অচিনাৰ ভয়ার্ত চিৎকাৰৰ নদী বোৱা
ইকৰা বেৰৰ পঁজাটি চাই?

যন্ত্ৰৰ বুকুত ধপধপোৱা
এটি অক্ষয় শিলাখণ্ড আছে।

নিদ্ৰামগন ৰাতিৰ অন্ধকাৰবোৰ
কেতিয়াবা পৰিৱৰ্তন হয়
'মানুহ-গিলা' একোটা স্থিৰ অমাৱস্যালৈ...

## বাউলী ৰাধা মই

**পদ্মজা ফুকন**
সোণাৰি

মই তোৰ ৰাধা হ'ব খোজো কানাই
ৰুক্মিণী নহয়
নালাগে মোক কায়িক সুখ
তোৰ প্ৰেমেই মোৰ সকলো
বজাচোন আকৌ এবাৰ
তোৰ মোহন বাঁহীৰ মিঠা সুৰ
উঠলি উঠক যমুনাৰ বুকু
কদমৰ তালে তালে ময়ূৰ নাচক
গোপীৰ বুকুৰে বাগৰক
উছাহৰ ঢল...
মইতো তোৰ প্ৰিয়তমা ৰাধা কানাই
তোৰ বাঁহীৰ সুৰত মতলীয়া হোৱা
বাউলী ৰাধা মই
আকাশে বতাহে বিয়পি পৰক
আমাৰ অমৰ প্ৰেম
যাওঁক যমুনা ঢৌৱাই
তইতো মোৰ বুকুৰ ধন
কলীয়া কানাই...

## সুখৰ হুল

**দ্বীপেন দৈয়াং**
গোলাঘাট

ৰঙীন পোহৰ
জিক্‌মিকাই থকা বজাৰখন
দোকানে দোকানে বেলুনওলমি ৰয়
আৰু এসময়ত
বায়ুশূন্য অথবা সম্প্ৰসাৰণহীনতা
ফাটি পৰে ফান্ ফানকৈ,
আঁহে আঁহে কোঁহে শিপাই থকা
মৰমৰ কলিজাখন মোচোকা খায়
শীতৰ সেমেকা নিশা
এক মধুৰ যান্ত্ৰণাই শিপায়।
ৰঙীন বেলুন হে ফুলি থকা অথবা
ৰঙীন বস্ত্ৰৰ আড়ষ্ট জীৱন
একে কথা...
যন্ত্ৰণাৰ কাৰণ আমাৰ ভঙা কলিজা
দুখ-যন্ত্ৰাই যদি নেথাকে কলিজাত আমাৰ
সুখৰ হুলে বিন্ধিবনো কলিজাত কাৰ।

## মহানগৰত এজন

**প্ৰদীপ শইকীয়া**
নগাঁও

কি শোকাবহ এই মহানগৰৰ দৃশ্যৰাজি
হঠাৎ পিয়লাবোৰে হেৰুৱাই পেলালে তৃষ্ণাতুৰ ওঁঠ
সেই ফুলি উঠা ঢৌবোৰৰ ইচাত-বিচাট
মোৰ স্বৰ্গীয় ছাঁৰ উন্মাদ আলিংগনত যিবোৰ পিষ্ট হ'লহেতেন

কি শোকস্তব্ধ নৈশ অতীত
পাৰঘাটৰ ৰাগহীন কৰুণ সংগীত
কি ৰহস্যময় শূন্যতাৰ পাখি কোবোৱা শব্দ

কি ভয়াৱহ
নগ্ন মূৰ্তিবোৰৰ ওপৰেৰে আঙুলি নোহোৱা এখন হাতৰ স্পৰ্শ
কামার্ত পিয়লাবোৰৰ শৰীৰ চেলেকি ওঁঠহীন এখন বিচিত্ৰ মুখ
এখন বিব্ৰত ছিগি অহা চিলাৰ অস্থিৰতা।

আপুনি দেখিছেনে
পদপথৰ সহস্ৰ পদাতিকৰ মাজতো নিঃসংগ
অজান শিঙাৰ চিঞৰত স্তব্ধ পাপহীন ভোকাতুৰ সন্যাসীজন।

## মৃত্যু

**উত্তম কুমাৰ কলিতা**
পাঠশালা

উৰঁলি যোৱা বনিয়ন কামিজ
ৰ'দাব দি
নাওঠ হে শুই পৰে মৃত্যু;

'মৃত্যুও এটা শিল্প,
কফিনৰ সুগন্ধিত উফন্দি থকা
জীৱন নাটৰ শেষ অংক
মৈদাম-পিৰামিড,
চাৰি খুটি নতুবা ডেৰ গজ গাঁতৰ
নৈ ঃ শব্দৰ কিৰিলি;
'মৃত্যুও এটা ভাস্কৰ্য;
খহি পৰা তাৰৰ
দুখৰ উচুপনি।



## প্ৰহেলিকা

**জগবন্ধু কলিতা**
গোৱালপাৰা

আকাশত জোন নাই
মেঘৰ খিৰিকী খুলি
দুটা এটা তৰাই জুমি চায়
এই বাৰিষাৰ ৰাতিও দেখন
কবি ঘৰত নাই দেখোন
ক'ত যায় কি কৰে
কোনেও নাজানে
দুপৰ কিম্বা নিশা
লগপালে একেটাই উত্তৰ
কবিৰ আৰু কি ভাল বেয়া

খেৰৰ চাল মাটিৰ মজিয়া
কেতিয়াবা কবিক বিচাৰি ঘৰ গৈ ওলালে
নিমাখিত হাঁহি এটাৰে ক'ব
ভিতৰলৈ আহাঁ, এয়ে মোৰ
ঐশ্বৰ্যৰ পঁজা, অভাৱৰ অট্টালিকা।



## সুখৰ সংখ্যা

**গীতা চহৰীয়া**

তোমাৰ কথাত মই বিচাৰি নাপাওঁ
কোনো কৃত্ৰিমতা অথবা জটিলতা
আনকি হাতৰ মুঠিতো দেখা নাই
কিবা স্বাৰ্থ লুকুৱাই ৰাখিছা বুলি।
সঁচা প্ৰেমে আনি দিয়ে
শান্তিৰ ফটফটীয়া জোনাক
বিজুলীৰ পোহৰেও তেতিয়া
চকুত চাপ মাৰি ধৰাৰ ক্ষমতা
হেৰুৱাই পেলায়।